**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-10-2024 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

দেৱী দুৰ্গাক আৰাধনাৰ বাবে আজি শুক্লা প্ৰতিপদৰ পৰা ধৰ্মীয় উৎসাহ-উদ্দীপনাৰে নৱৰাত্ৰি পূজা আৰম্ভ হৈছে। নৱৰাত্ৰিৰ সময়ত ভক্তসকলে দেৱী দুৰ্গাৰ ৯টা ৰূপক পূজা-অৰ্চনা কৰে। প্ৰথম দিনা শৈলপুত্ৰী হিচাপে মা দুৰ্গাক আৰাধনা কৰা হয়। ইয়াৰ পাছত ক্ৰমান্বয়ে ব্ৰহ্মচাৰিণী, চন্দ্ৰঘণ্টা, কুষ্মাণ্ড, স্কন্দমাতা, কাত্যায়নী ৰূপত শক্তিৰূপিনী মা দুৰ্গাৰ পূজা কৰা হ'ব। আনহাতে মহাষষ্ঠীৰ সন্ধিয়া বেলবৰণ কৰাৰ পাছতে সপ্তমীত কালৰাত্ৰি, মহাষ্টমীত মহাগৌৰী আৰু মহা নৱমীত সিদ্ধিদাত্ৰীৰ ৰূপত পূজা কৰাৰ পাছত দশমীত দেৱীক বিসৰ্জন দিয়া হ'ব। এইবাৰ দেৱীৰ দোলাত আগমন হৈছে আৰু ঘোঁৰাৰে গমন কৰিব। দুৰ্গা পূজাৰ উপলক্ষে বিভিন্ন ঠাইৰ পূজা-মণ্ডপসমূহ কাৰিকৰসকলে আটক ধুনীয়াকৈ সজাই তুলিছে। আনহাতে, বজাৰসমূহো পূজাৰ বাবে বিভিন্ন ধৰণৰ সাজ-পাৰকে ধৰি অন্যান্য সামগ্ৰীৰে ভৰি পৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আৰম্ভ হোৱা নৱৰাত্ৰি উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয় যে দুৰ্গতিনাশিনীৰ বন্দনাৰ এনেধৰণৰ পবিত্ৰ উৎসৱে সকলোৰে বাবে বিশেষ তাৎপৰ্য বহন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয় যে নৱৰাত্ৰিৰ প্ৰথম দিনটো মা শৈলপুত্ৰীক প্ৰাৰ্থনা জনোৱা হয়। তেওঁ দুৰ্গতিনাশিনীয়ে সকলোকে শুভাশিষ প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰাৰ লগতে দেশৰ জনসাধাৰণৰ কল্যাণৰ বাবে তেওঁৰ চৰণত প্ৰাৰ্থনা জনাইছে বুলি অৱগত কৰে।

০০০০০০০০

কটন বিশ্ববিশ্ববিদ্যালয়ৰ চুডমাৰ্চন হলত কালি জাতিৰ পিতা মহাত্মা গান্ধীৰ জয়ন্তীৰ লগত সংগতি ৰাখি সুৰ সংলাপৰ এটা ব্যতিক্ৰমী অনুষ্ঠানৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীত বিংশ শতিকাৰ ৭০ দশকৰ পৰা একবিংশ শতিকাৰ তৃতীয় দশকলৈ ৰচনা কৰা শুভেশ্বৰ দাসৰ 'তিনিকুৰি কুটাৰ বাহ' শীৰ্ষক নাট্য সংকলন মুকলি কৰা হয়। অনুষ্ঠানত বিশিষ্ট চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱা, অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্যকান্ত হাজৰিকাকে ধৰি ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০০

ৰাজ্যৰ ৮ বিধ সামগ্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ জি আই টেগৰ স্বীকৃতি লাভ কৰিছে। বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত বস্ত্ৰ আৰ'নাই আৰু পৰম্পৰাগত পানীয় জৌ গৈৰান, মাইব্ৰা জৌ বিদৈ, জৌ গিচি, শুকান মাছৰ পৰা প্ৰস্তুত কৰা জনগোষ্ঠীয় খাদ্য বড়ো নাফামা আৰু বড়োসকলৰ পৰম্পৰাগত খাদ্য অণ্ডলা বড়ো গৌখা আৰু বড়ো নাৰ্জিলৈ ভাৰত চৰকাৰৰ এই স্বীকৃতি আগবঢ়োৱা হৈছে।

০০০০০০০

ৰাজ্য চৰকাৰৰ আনন্দৰাম বৰুৱা নগদ ধন প্ৰদান আঁচনিৰ অধীনত আবেদন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত ৯৮২ গৰাকীৰ বেংক একাউণ্টৰ তথ্যত বিসংগতি ধৰা পৰিছে। সেয়েহে মাধ্যমিক শিক্ষা সঞ্চালকে শিক্ষানুষ্ঠানসমূহৰ মুৰব্বীসকলক এই ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে যোগাযোগ কৰি ৫ অক্টোবৰৰ ভিতৰত বেংক একাউণ্টৰ শুদ্ধ তথ্যসহ নতুনকৈ আবেদন দাখিল কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনাটোত লগতে উল্লেখ কৰা হৈছে যে ২০২৪ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশতকৈ অধিক নম্বৰ লাভ কৰা মুঠ ২৬ হাজাৰ ৯৬৯ গৰাকী শিক্ষাৰ্থী আনন্দৰাম বৰুৱা নগদ ধন প্ৰদান আঁচনিৰ বাবে যোগ্য বিবেচিত হৈছিল।

০০০০০০০

অহা ১১ অক্টোবৰৰ পৰা গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত ঝাৰখণ্ডৰ বিৰুদ্ধে হ'বলগীয়া ৰঞ্জী ট্ৰফীৰ প্ৰথমখন খেলৰ বাবে অসম ক্ৰিকেট সন্থাই ৰাজ্যিক দলৰ খেলুৱৈৰ লগতে সহায়কসকলৰ নাম ঘোষণা কৰিছে। ডেনিছ দাসৰ অধিনায়কত্বত গঠন কৰা এই দলটোত সুমিত ঘাডি গাউকাৰ আৰু ৰুহিনন্দন পেগুক উইকেট কীপাৰ হিচাপে ৰখা হৈছে। অসম ক্ৰিকেট সন্থাই প্ৰেছ বিজ্ঞপ্তিযোগে এই কথা প্ৰকাশ কৰিছে।

০০০০০০০

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে মাজুলীতো বিগত বৰ্ষৰ দৰে এইবাৰো দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ প্ৰস্তুতি অব্যাহত আছে। অহা ১৩ নৱেম্বৰৰ পৰা হ'বলগীয়া খেল মহাৰণৰ অধীনত এথলেটিকছ, ফুটবল, ভলীবল, কাবাডী, দবা, সাতোৰ, চাইক্লিং আদি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইচ্ছুক প্ৰতিযোগীসকলে খেল মহাৰণৰ প'ৰ্টেলত নাইবা এপ ডাউনলোড কৰি নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব। সবিশেষ জানিবলৈ জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিবলৈ কোৱা হৈছে।

০০০০০০০

ঢেকিয়াজুলি আৰক্ষী চকীৰ উপ-পৰিদৰ্শকৰ নেতৃত্বত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে চলোৱা এক অভিযানত কালি বহু পৰিমাণৰ গাঞ্জাসহ দুজন সৰবৰাহকাৰীক আটক কৰা হয়। ধৃত সৰবৰাহকাৰী দুজন হৈছে চিৰাজুলি ঘাৰবস্তিৰ আনাৰুল ইছলাম আৰু বালিগাঁৱৰ আবু কালাম। তেওঁলোকৰ পৰা প্ৰায় ১৫ কিলোগ্ৰাম গাঞ্জাৰ লগতে দুটা মোবাইল হেণ্ডচেট জব্দ কৰে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০

**সমাপ্ত**